জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪১১/২০২০

# অসম বোৰ্ড অব্ স্প'ৰ্টছৰ পৰিচালনা সমিতিৰ বৈঠকত অধ্যক্ষতা কৰিলে মুখ্যমন্ত্ৰীয়ে

## অভিজ্ঞ আৰু পেছাদাৰী পৰামৰ্শদাতা (কনচালটেন্সি)অচিৰেই নিয়োজিত কৰি আন্তঃগাঁথনিসমূহৰ ভৱিষ্যতমুখী তথা ৰাজহ অৰ্জনকাৰী মডেল সৃষ্টি কৰাৰ পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ৯ জুন ঃ** আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ অধ্যক্ষতাত অসম বোৰ্ড অব্ স্প'ৰ্টছৰ পৰিচালনা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। উক্ত বৈঠকত বোৰ্ড অব্ স্প'ৰ্টছৰ বিভিন্ন কাৰ্যাৱলী আৰু পৰিকল্পনা সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। বৈঠকৰ আৰম্ভণিতে অসম বোৰ্ড অব্ স্প'ৰ্টছৰ সচিবগৰাকীয়ে বোৰ্ডৰ অধীনস্থ বিভিন্ন আন্তঃগাঁথনি, প্ৰকল্প আৰু ক্ৰীড়া সম্পৰ্কীয় অন্যান্য আনুসংগিক সা-সুবিধাৰ অৱলোকনেৰে এক প্ৰেজেন্টেশ্যন প্ৰদান কৰে।

বৈঠকত অধ্যক্ষতা কৰি মুখ্যমন্ত্ৰীয়ে বোৰ্ড অব্ স্প'ৰ্টছৰ অধীনস্থ নেহৰু ষ্টেডিয়ামকে ধৰি অন্যান্য ক্ৰীড়াঙ্গণসমূহ আধুনিক ৰূপত গঢ়ি তোলাৰ পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে ক্ৰীড়া প্ৰকল্পসমূহৰ জৰিয়তে ৰাজহ সৃষ্টি তথা বৃদ্ধিৰ ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণৰো পোষকতা কৰে। এই দিশত অভিজ্ঞ আৰু পেছাদাৰী পৰামৰ্শদাতা (কনচালটেন্সি)অচিৰেই নিয়োজিত কৰি আন্তঃগাঁথনিসমূহৰ ভৱিষ্যতমুখী তথা ৰাজহ অৰ্জনকাৰী মডেল সৃষ্টি কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে বোৰ্ড অব্ স্প'ৰ্টছৰ অধীনস্থ বিভিন্ন ক্ৰীড়া আন্তঃগাঁথনিসমূহৰ ভিতৰত থকা সা-সুবিধাসমূহৰ ছ'চিয়েল মিডিয়াকে ধৰি অন্যান্য সংবাদ মাধ্যমৰ জৰিয়তে উপযুক্ত প্ৰচাৰৰো ব্যৱস্থা ল'বলৈ নিৰ্দেশ দিয়ে যাতে নৱ প্ৰজন্মৰ খেলুৱৈসকলে ইয়াৰ সা-সুবিধা সম্পৰ্কে সবিশেষ অৱগত হ'ব পাৰে। মুখ্যমন্ত্ৰীয়ে বোৰ্ড অব্ স্প'ৰ্টছৰ অধীনস্থ বিভিন্ন ক্ৰীড়া ক্ষেত্ৰৰ ভূমিৰ উপযুক্ত ব্যৱহাৰেৰে ইয়াৰ সঠিক প্ৰয়োগৰ পৰিকল্পনা ল'বলৈও নিৰ্দেশ দিয়ে।

আজিৰ এই বৈঠকত অসম বোৰ্ড অব্ স্প'ৰ্টছৰ উপাধ্যক্ষ তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে, বিধায়ক তথা বোৰ্ড অব স্প'ৰ্টছৰ সদস্য ক্ৰমে ভাস্কৰ শৰ্মা, দীপক ৰাভা, কিশোৰ নাথ, বিধায়ক বিমল বৰা, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ, অসম ক্ৰীড়া প্ৰাধিকৰণৰ সঞ্চালকপ্ৰধান ওংকাৰমল কেডিয়া, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ আয়ুক্ত-সচিব ড° এম অংগমুথু, ক্ৰীড়া সঞ্চালক তথা বোৰ্ডৰ সচিব ধৰ্মকান্ত মিলি তথা অন্যান্য সদস্যসকল উপস্থিত থাকে।

বঃভাঃ
০৯/০৬/২০২০